টি.জি.-ফেম চিৰিজ

(লক্ষ্য গোট বিত্তীয় সাক্ষৰতা সজাগতা বাৰ্তা)






# বিত্তীয় সাক্ষৰতা

## আত্ম সহায়ক গোটৰ বাবে

বিত্তীয় অন্তৰ্ভুক্তি আৰু বিকাশ বিভাগ, ভাৰতীয় ৰিজাৰ্ভ বেংক

| বাৰ্তা ঃ ১ |
| --- |
| আত্ম সহায়ক গোট ছেভিং বেংক একাউণ্টৰ বাবে কে. ৱাই.চি |

| বাৰ্তা ঃ ২ |
| --- |
| প্ৰান্তীয় আৰু সুৰক্ষা মানক |


| বাৰ্তা ঃ ৩ |
| --- |
| স্বেচ্ছাই জমা |

| বাৰ্তা ঃ ৪ |
| --- |
| আত্ম সহায়ক গোট সমূহ পৰিচালনাৰ সুচল নীতি-ভাগ- ১ |

| বাৰ্তা ঃ ৫ |
| --- |
| আত্ম সহায়ক গোট সমূহ পৰিচালনাৰ সুচল নীতি-ভাগ- ২ |



# আত্ম সহায়ক গোট



আত্ম সহায়ক গোটৰ ছেভিংছ বেংক একাউণ্টৰ বাবে কে.ৱাই.চি
প্ৰান্তীয় আৰু সুৰক্ষা মানক
স্বেচ্ছাই জমা
আত্ম সহায়ক গোট সমূহৰ পৰিচালনাৰ সুচল নীতি-ভাগ- ১ ঃ সময়ে-সময়ে বৈঠক, সময়-সময়ে জমা কৰা আৰু নিয়মীয়াকৈ অভ্যন্তৰীণ ঋণ দিয়া।
আত্ম সহায়ক গোট সমূহ পৰিচালনাৰ সুচল নীতি-ভাগ- ২ নিয়মীয়াকৈ পুনঃ পৰিশোধ আৰু হিচাপ ৰক্ষণ

## বাৰ্তা-১ ঃ আত্ম সহায়ক গোটৰ ছেভিং বেংক একাউন্টৰ বাবে কে.ৱাই.চি

ধৰা হওক আপোনালোকে ১০-২০ গৰাকী লোকে মিলি মিতব্যয়ী আৰু ধন-জমা কাৰ্যকলাপৰ বাবে এটা (আত্ম সহায়ক গোট) এছ.এইছ.জি গঠন কৰিলে আৰু আপুনি এতিয়া আত্ম সহায়ক গোটৰ বাবে এটা ছেভিং বেংক একাউন্ট কেনেকৈ খুলিব পৰা হ'ব জানিব বিচাৰিব।

### আত্ম সহায়ক গোট

একেলগে অহাৰ কাৰণ ঃ গোটটোৰ বাবে জমা আৰু ঋণ সুবিধাকৰণ




বিষয়ববীয়া সকলৰ
বেংক একাউন্ট খোলাৰ বাবে প্ৰয়োজনীয় তালিকা



সকলো বিষয়ববীয়াৰ কে.ৱাই.চি




আত্ম সহায়ক গোটৰ বাবে একাউন্ট খুলিবৰ বাবে বিষয়ববীয়াসকলৰ কতৃত্ব প্ৰদানৰ প্ৰস্তাৱ



গোটৰ সকলো সদস্যৰে কে.ৱাই.চি

আপুনি জনা উচিত যে আত্ম সহায়ক গোটৰ ছেভিং বেংক একাউন্ট খুলিবৰ সময়ত আত্ম সহায়ক গোটৰ সকলো সদস্যৰে কে.ৱাই.চি সত্যাপনৰ (পৰীক্ষণৰ) প্ৰয়োজন নাই। বিষয়ববীয়া কেইজনৰ কে. ৱাই.চি পৰীক্ষাই যথেষ্ট। অৱশ্যে, আত্ম সহায়ক গোটৰ বাবে বেংক একাউন্ট খোলাৰ বাবে কতৃত্ব প্ৰদান কৰা সকলো বিষয়ববীয়াৰ নাম সন্মিলিত প্ৰস্তাৱ দাখিল কৰা আৱশ্যক।

## বাৰ্তা ২ ঃ প্ৰান্তীয় আৰু সুৰক্ষা মানক




ঋণৰ পৰিমাণ মূল ধনৰাশিৰ ১-৪ গুণ, যদি মূল ধনৰাশি ১০,০০০, তেন্তে ঋণ ১০,০০০ টকাৰ পৰা ৪০,০০০ টকাৰ মাজত হ'ব।

বেংকে আপোনাৰ আত্ম সহায়ক গোটক আপোনাৰ মুঠ ধনৰাশিৰ ওপৰত এটা ঋণ আবণ্টন কৰিব পাৰে। ধৰা হওক আপোনাৰ আত্ম সহায়ক গোটত মুঠ ১০,০০০ টকা (আত্ম সহায়ক গোটত জমা থকা নগদ ধন + বেংকত জমা থকা ধন + সদস্যই ধাৰে লোৱা ধন) আছে, তেনেহ'লে ঋণৰ পৰিমাণ ১০,০০০ টকাৰ পৰা ৪০,০০০ টকা হ'ব পাৰে।


ঋণ অবন্তনৰ বাবে আত্ম সহায়ক গোটৰ পৰা কোনো আনুষঙ্গিক সুৰক্ষা লোৱাৰ কোনো প্ৰয়োজন নাই।

ঋণৰ পৰিমাণ মুঠ ধনৰাশিৰ চাৰি গুণতকৈ অধিক সম্ভৱ হ'ব পাৰে, যদি
--- আত্ম সহায়ক গোট বহু বছৰ ধৰি সাফল্যৰে কাৰ্য সম্পন্ন কৰি আছে।
---- সময়ত পুৰণা ঋণ পৰিশোধ কৰিছে।
----- ক্ৰেডিট সুবিধা দায়িত্বসহকাৰে পালন কৰিছে।

## বাৰ্তা ৩ ঃ স্বেচ্ছামূলক জমা

সাধাৰণতে, আত্ম সহায়ক গোটৰ এজন সদস্য হিচাপে আপুনি এটা নিৰ্দিষ্ট পৰিমাণৰ ধন বাধ্যতামূলক সঞ্চয় হিচাপে সাপ্তাহিক/ পষেকীয়া/ মাহেকীয়া সভাত জমা দিয়ে। আপোনাৰ আয় কৰাৰ ক্ষমতা আৰু সঞ্চয়ৰ ক্ষমতা নিশ্চয় সময় অনুযায়ী বৃদ্ধি পাব আৰু সেয়া গোটৰ আন সকলো সদস্যৰ পৰা ভিন্ন হ'ব। আপুনি স্বেচ্ছামূলকভাৱে অন্য সদস্যসকলৰ নিৰ্ধাৰিত পৰিমাণতকৈ অধিক ধন জমা দিব পাৰে।

এটা গোটৰ প্ৰতিজন সদস্যৰ দুটাকৈ সঞ্চয় জমা থাকিব পাৰে—এটা গোটে নিৰ্ধাৰিত কৰে আৰু আনটো স্বেচ্ছামূলক।




আপুনি এটা ব্যক্তিগত বেংক একাউণ্ট খুলি ল'ব পাৰে বা আপোনাৰ বন্ধ হৈ থকা বেংক একাউণ্টটো ধন জমা দি পুনৰুজ্জীৱিত কৰি ল'ব পাৰে য'ত আপোনাৰ ৰাহি হোৱা ধন ভৱিষ্যতৰ ব্যয়ৰ পৰিকল্পনা মতে সেই ধন খৰচ কৰিবৰ বাবে জমা কৰিব পাৰে। সন্ধালনী ভৱে আপোনাৰ ৰাহি হোৱা ধন আত্ম সহায়ক গোটত বাধ্যতামূলক জমাৰ উপৰিও স্বেচ্ছামূলক ভাৱে জমা কৰি ৰাখিব পাৰে। তাৰ বাবে আপুনি এটা সুবিধাজনক হিচাপ ৰক্ষণ ব্যৱস্থা থকাটো নিশ্চিত হ'ব লাগিব, যাৰ দ্বাৰা আপোনাৰ অতিৰিক্ত জমাটো আছুতীয়াকৈ ৰাখিব পাৰে।

স্বেচ্ছামূলক জমা দুই ধৰণে ৰাখিব পাৰি ঃ

১) গোটৰ মূলধনত অংশ নোহোৱাকৈ

২) গোটৰ মুলধনৰ অংশ হিচাপে আৰু গোটৰ আভ্যন্তৰীণ ঋণ ল'বলৈ ব্যৱহাৰ কৰি।

দ্বিতীয়টো ক্ষেত্ৰত গোটৰ মূলধনৰ অংশ হিচাপে ল'লে আত্ম সহায়ক গোটটো অধিক লাভান্বিত হ'ব, গোটটোৱে বেংকৰ পৰা অধিক ঋণ গ্ৰহণ কৰিব পাৰিব। গোটৰ সদস্যসকল একলগ হৈ সিদ্ধান্ত কৰিব যে স্বেচ্ছামূলক জমা কৰা সদস্যজনে গোটটোৱে লাভ কৰা সুত বা লভ্যাংশৰ কিমান অংশ লাভ কৰিব।

# আত্ম সহায়ক গোট সমূহ পৰিচালনাৰ সুচল নীতি-ভাগ- ১



## নিয়মীয়া সভা আয়োজন

গোটৰ সদস্যসকলে কিমান দিনৰ ব্যৱধানত আলোচনাত মিলিত হ'ব সেই বিষয়ে সিদ্ধান্ত গ্ৰহণ কৰি ল'ব লাগে। এনে সভাবিলাক পাৰিলে সাপ্তাহিক হ'লে ভাল, নহ'লে পষেকীয়া বা মাহেকীয়া হ'ব পাৰে—ই আত্ম সহায়ক গোটৰ সদস্যসকলৰ সুবিধাৰ ওপৰত নিৰ্ভৰশীল।

**নিয়মীয়া সভা আৰু নিয়মীয়া উপস্থিতি ঃ**

নিয়মীয়া গোটৰ সভা আৰু এনে সভাত সম্পূৰ্ণ অংশগ্ৰহণে আত্ম সহায়ক গোটটোৰ কৰ্মক্ষমতা বৃদ্ধিত সহায়ক হয়। ইয়াৰ বাবে আত্ম সহায়ক গোটটোৱে নিয়মীয়াকৈ সভা অনুষ্ঠিত হোৱা আৰু সকলো সদস্য সভাত উপস্থিত থকাত গুৰুত্ব দিব লাগে। এই সভাবিলাকত ইজনে সিজনৰ ওচৰ চাপি যায় আৰু ইজনে সিজনৰ প্ৰত্যাহ্বানসমূহৰ বিষয়ে অধিকভাৱে অবগত হয়।

গোটৰ সভাত সকলো সদস্যৰ অংশ গ্ৰহণে আপোনাৰ গোটটোক সুস্থিৰতা প্ৰদান কৰিব, যিটোৱে সকলোৱে মংগল আৰু সন্তোষৰ অৰ্থে কাম কৰিব।



## নিয়মীয়া সঞ্চয় ঃ

গোটটোৰ সদস্যসকলে সিদ্ধান্ত কৰি সাপ্তাহিক/পৰ্যায়ক্ৰমিক সঞ্চয়ত গোটৰ সদস্যসকলে জমা কৰিব, ইয়াৰ পৰিমাণ আটাইতকৈ দুখীয়াজনৰ সক্ষমতাৰ ওপৰত নিৰ্ভৰ কৰি ধাৰ্য কৰিব।

মিতব্যয়িতা (ক্ষুদ্ৰ সঞ্চয়)ৰ অভ্যাস আত্ম সহায়ক গোটৰ বাবে মূল কথা আৰু ইয়াৰ দ্বাৰা গোটটোৰ শক্তিশালী সাধাৰণ পুঁজি জমা হ'ব। (সুবিধাসমূহ ঃ শৃংখলাবদ্ধ মিতব্যয়িতাই আপোনাৰ গোটৰ মূলধন এনে এটা পৰ্যায়লৈকে বৃদ্ধি কৰিব যে কোনো সদস্যই তেওঁলোকৰ জৰুৰী প্ৰয়োজনৰ বাবে ধন ধাৰে দিওঁতা লোকৰ কাষ চাপিব লগা নহয়।

নিজৰ পুঁজিৰ পৰা আভ্যন্তৰীণ সদস্য ঋণ লৈ তেওঁলোকৰ তেনে প্ৰয়োজনসমূহ পূৰণ কৰিব পাৰিব। গোটৰ অধিক পুঁজি জমা হ'লে গোটটোৱে বেংকৰ পৰা অধিক ঋণ ল'বও পাৰিব।



**নিয়মীয়া আভ্যন্তৰীণ ঋণ ঃ**

যেতিয়া এবাৰ সঞ্চয়ৰ পৰা এটা নিৰ্দিষ্ট ধন জমা হয়, যেনে, ৩-৬ মাহৰ এচোৰা সময়ত, সদস্যসকলে জৰুৰী ক্রয়ৰ বাবে জমাৰ বিপৰীতে তথা ওপৰঞ্চি আয় সৃষ্টি জমাৰ প্রয়োজন অনুসৰি ঋণ ল'ব পাৰে।

* সদস্যসকলৰ জৰুৰীৰ প্রাথমিকতাৰ আধাৰত গোটৰ পৰা আভ্যন্তৰীণ ঋণ গ্রহণ কৰিব পাৰে।

* আৰম্ভণিতে তেওঁলোকৰ নিজৰ পুঁজিৰ পৰাই গোটৰ সদস্য সকলৰ কেৱল আৰ্থিক প্রয়োজনীয়তা পূৰণ কৰাই নহয়, বৰঞ্চ তেওঁলোকৰ বিত্তীয় ব্যৱস্থাপনা আৰু মধ্যস্থতাৰ দক্ষতা বিকাশ কৰিব।

* গোটৰ সদস্য সকলৰ মাজত ঋণ প্রদানে গোটৰ সদস্য সকলৰ মাজত সুতৰ হাৰ আৰু ঋণ পৰিশোধৰ কিস্তি নিৰ্ধাৰণ আদিৰ জ্ঞান বৃদ্ধি কৰিব।

* ঋণ লোৱাৰ উদ্দেশ্য, ঋণৰ পৰিমান, সুতৰ হাৰ, ঋণ আদায় দিয়াৰ সূচী আদিৰ সম্বন্ধে গোটে নিজেই সিদ্ধান্ত ল'ব।

## বাৰ্তা ৫ ঃ আত্ম সহায়ক গোট সমূহ পৰিচালনাৰ সুচল নীতি-ভাগ- ২



**নিয়মীয়া পৰিশোধ ঃ**

ধাৰ দিয়া আৰু লোৱা প্ৰক্ৰিয়াটো প্ৰধানকৈ বিশ্বাস আৰু ধাৰ কৰাৰ ক্ষমতাৰ ভিত্তিত সম্পন্ন হয়। ধাৰ লোৱা জনৰ এইটো কৰ্তব্য যে তেওঁ সময়মতে ঋণৰ কিস্তি ঘূৰাই দিব লাগে। পলমকৈ ঋণৰ কিস্তি দিয়াৰ ফলত বেছি সুদ দিব লগা হয়, তেওঁৰ ৰেকৰ্ড বেয়া হয় আৰু পূৰ্বৰ ঋণ পৰিশোধৰ বেয়া ক্ৰেডিট স্ক'ৰৰ ভিত্তিত ভৱিষ্যতে ঋণ পোৱাত অসুবিধা হয়।

**সদস্যৰ ব্যক্তিগত ক্ৰেডিট স্ক'ৰ ঃ**

ক্ৰেডিট স্ক'ৰ হৈছে পৰিসংখ্যাগতভাৱে নিৰ্ণয় কৰা এটা সংখ্যা—ইয়াৰ দ্বাৰা ব্যক্তিজনৰ ধাৰ ল'ব পৰা ক্ষমতা, ঋণ তথ্য কোম্পানীসমূহে (চি আই চি) নিৰ্ণয় কৰা এই সংখ্যা বেংকবিলাকে ব্যৱহাৰ কৰি ব্যক্তিজনৰ ঋণ পৰিশোধ ক্ষমতা কিমান নিৰ্ণয় কৰে।

ক্ৰেডিট স্ক'ৰৰ বাবে অন্যান্য কিছুমান বিষয়ৰ লগতে পূৰ্বৰ ঋণ পৰিশোধৰ বুৰঞ্জীৰ ওপৰতো ভিত্তি কৰি দিয়া হয়। এইটো এটা ৩০০ আৰু ৯০০ ৰ ভিতৰৰ সংখ্যা—এই সংখ্যা যিমানেই বেছি হয় ব্যক্তিজনে সিমানেই বেছি ঋণ পোৱাৰ যোগ্যতা অৰ্জন কৰে।



**হিচাব ৰক্ষণ ঃ**

আত্মসহায়ক গোটৰ সকলো আৰ্থিক আৰু অনা-আৰ্থিক লেনদেন স্বচ্ছ হোৱাটো প্ৰয়োজন। সকলো সদস্যৰ মাজত ইয়াৰ দ্বাৰা আস্থা, পাৰস্পৰিক বিশ্বাস আৰু প্ৰত্যয় বৃদ্ধি পাব। হিচাপৰ বহীৰ লগতে অন্যান্য তথ্যপাতিৰ খাটা যেনে সদস্যৰ ৰেজিষ্টাৰ, কাৰ্যবিৱৰণীৰ বহী, উপস্থিতিৰ ৰেজিষ্টাৰ, কেছবুক আদি দৈনিক তথ্য ভৰ্তিৰে আপ-টু-ডেট কৰি ৰাখিব লাগে। আত্মসহায়ক গোটৰ সকলো লেনদেন সদস্য অনুযায়ী মিতব্যয়িতা, স্বেচ্ছামূলক সঞ্চয় আৰু সদস্যৰ মাজত দিয়া ঋণৰ তথ্যসমূহ নিয়মিতভাৱে সদস্যসকলে বুজিব পৰাকৈ লিপিবদ্ধ কৰি ৰাখিব লাগে আৰু সদস্যসকলে বিচাৰিলেই চাব পৰাকৈ ৰাখিব লাগে।

**সুবিধাসমূহ ঃ**

১) গোটৰ সকলো সিদ্ধান্ত সদস্যসকলক সময়ে সময়ে জনাই থাকিব লাগে যাৰ দ্বাৰা তেওঁলোকে ভৱিষ্যতে ভাল/ শুদ্ধ সিদ্ধান্ত ল'ব পাৰে।

২) হিচাপ ৰক্ষণে গোটটোৰ আৰ্থিক অৱস্থা যেনে সদস্যৰ সঞ্চয়, ঋণ, সদস্যৰ উপস্থিতি, গ্ৰুপ ফাণ্ড, আদায় কৰিব লগা শতাংশ অনুপাত আদিৰ বিষয়ে জনাত সহায় কৰে।

৩) ই সদস্যসকলৰ মাজত বিশ্বাৰ আৰু একতা বৃদ্ধিত সহায় কৰে।

৪) ই গোটটোৰ আৰ্থিক যোগ্যতা বৃদ্ধিৰ দ্বাৰা সমূহীয়া উন্নয়ন বৃদ্ধি কৰে।

৫) ইয়াৰ দ্বাৰা গোটটোৰ কৰ্ম দক্ষতা নিৰুপন কৰিব পৰা যায়।

৬) ভাল হিচাপ ৰক্ষণ ব্যৱস্থাৰ দ্বাৰা গোটটোৱে বাহিৰৰ অন্য সংস্থা বা বেংকসমূহক আকৰ্ষিত কৰি ঋণ আদি লাভ কৰিব পাৰে।

৭) ভাল হিচাপ ৰক্ষণ ব্যৱস্থাই সদস্যসকলৰ ভিতৰত আৰ্থিক লেনদেনৰ স্বচ্ছতা সৃষ্টি কৰে ফলত গোটটোৰ শক্তি আৰু ভৱিষ্যতে বৰ্তি থকাৰ ক্ষমতা বৃদ্ধি কৰে।

৮) ৰাজহুৱা অনুষ্ঠানবিলাকৰ দৃষ্টিত গোটটোৱে স্বীকৃতি লাভ কৰে।

৯) ভাল হিচাপ ৰক্ষণে গোটটোক কাৰ্য্যদক্ষতাৰ মাত্ৰা প্ৰদানত সহায় কৰে।

## নিৰ্দিষ্ট লক্ষ্যকেন্দ্ৰীক বিত্তীয় সাক্ষৰতা সামগ্ৰী

ভাৰতীয় ৰিজাৰ্ভ বেংকৰ কাৰ্য্যবাহী সঞ্চালক শ্ৰী দিপক মহান্তিৰ অধ্যক্ষতাত গঠিত 'বিত্তীয় অন্তৰ্ভূক্তিৰ মধ্যকালীন পথ' সম্পৰ্কীয় সমিতিৰ বিত্তীয় সাক্ষৰতাৰ ক্ষেত্ৰত এক উল্লেখযোগ্য পৰামৰ্শ হৈছে প্ৰচলিত "সকলোৰে বাবে একেই নীতি" (সকলো একে ধৰণৰ)ৰ পৰিবৰ্তে ভিন্ন টাৰ্গেট গ্ৰুপৰ বাবে ভিন্ন ধৰণৰ বিত্তীয় শিক্ষাৰ প্ৰয়োজন। ফল স্বৰূপে ভিন্ন টাৰ্গেট গ্ৰুপৰ বাবে বিষয় বস্তু ভিন্ন হয়।

ভাৰতীয় ৰিজাৰ্ভ বেংকৰ আৰ্থিক অন্তৰ্ভুক্তি আৰু বিকাশ বিভাগে অনুকুলিত বিত্তীয় সাক্ষৰতাৰ বাবে বেলেগ বেলেগ টাৰ্গেট গ্ৰুপৰ বাবে যেনে - কৃষক, ক্ষুদ্ৰ উদ্যোগী, স্কুলীয়া ছাত্ৰ, আত্ম সহায়ক গোট আৰু জ্যেষ্ঠ নাগৰিকৰ বাবে বেলেগ পাঠ্যক্ৰম যুগুত কৰিছে। এই কিতাপখন অনুকুলিত আৰ্থিক সাক্ষৰতাৰ বিষয়ে লিখা হৈছে।

**সতৰ্কীকৰণ ঃ**

এই কিতাপখন পঢ়া আৰু শিক্ষণ সামগ্ৰী হিচাপে আগ বঢ়োৱা হৈছে যাতে পাঠকসকলক বিত্তীয় সাক্ষৰ কৰিব পাৰি। ইয়াৰ দ্বাৰা পাঠকসকলক কোনো বিশেষ ফাইনেন্সিয়েল প্ৰডাক্ট বা সেৱাৰ প্ৰতি উৎসাহিত কৰাৰ চেষ্টা কৰা হোৱা নাই।

প্ৰথম সংস্কৰণ, এপ্ৰিল, ২০১৮
উৎসৰ জ্ঞাতসাৰে পুনৰ মুদ্ৰণ কৰিব পাৰিব।
**লেখক আৰু প্ৰকাশক ঃ**
বিত্তীয় অন্তৰ্ভুক্তি আৰু বিকাশ বিভাগ
ভাৰতীয় ৰিজাৰ্ভ বেংক
১০ ম মহলা, কেন্দ্ৰীয় কাৰ্যালয় বিল্ডিং
শ্বহীদ ভগত সিং মাৰ্গ
ফৰ্ট, মুম্বাই।

**কৃতজ্ঞতা ঃ**
**ডিজাইন ঃ** কৌশিক ৰামচন্দ্ৰণ

বিত্তীয় অন্তৰ্ভুক্তি আৰু বিকাশ বিভাগ
ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়া
১০ ম মহলা, কেন্দ্ৰীয় কাৰ্যালয়
মুম্বাই - ৪০০ ০০১, ভাৰত।